NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 05-11-2026
Time : 1340 Hrs.

Assamese Midday Bulletin
HEADLINES

oooooooo

১। কেন্দ্রীয় চৰকাৰে পশুধনৰ বাবে অনকূল পৰিকাঠামোৰ সুদৃঢ়কৰণৰ উদ্দেশ্যে ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চললৈ পৰামৰ্শাৱলী জাৰি কৰিছে।

২। ভাৰতে দক্ষিণ আমেৰিকাৰ দেশ গুয়ানাৰ পথ, স্বাস্থ্য আৰু প্ৰতিৰক্ষা প্ৰকল্পৰ বাবে ৫০ কোটি ডলাৰৰ ঋণৰ সুবিধা প্ৰদান কৰিব বুলি ঘোষণা কৰিছে।

৩। কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহে ১৮৫৭ চনৰ স্বাধীনতাৰ প্ৰথম ৰণৰ সাহসী সৈনিকসকলৰ স্মৃতিত আম্বালা কেন্দ্রত নির্মাণ কৰা ছহীদ স্মাৰক আজি উদ্বোধন কৰিব।

৪। নির্বাচন আয়োগে অৰুণাচল প্ৰদেশ, মিজোৰাম, ছিকিম, ওড়িশা, চণ্ডীগড়, দাদ্রা আৰু নগৰ হাভেলী তথা দমন আৰু দিউৰ ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনৰ বিষয়ে ঘোষণা কৰিছে। ***আ/ৰু***

৫। ভাৰত আজি এছিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত জাপানৰ বিৰুদ্ধে অৱতীর্ণ হ'ব।

oooooooo

কেন্দ্রীয় চৰকাৰে বিকশিত ভাৰত গ্ৰাম্য কর্মসংস্থাপন নিশ্চিতকৰণ আৰু জীৱিকা মিছন ভি বি জি ৰামজী আইন ২০২৫ৰ অধীনত বিভিন্ন আঁচনিৰ একত্রীকৰণেৰে পশু খাদ্য সুৰক্ষা, চৰণীয়া পথাৰৰ বিকাশ আৰু পশুধনৰ বাবে অনকূল পৰিকাঠামোৰ সুদৃঢ়কৰণৰ উদ্দেশ্যে সকলো ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চললৈ পৰামৰ্শাৱলী জাৰি কৰিছে। গ্ৰামোন্নয়ন আৰু পশুপালন তথা দুগ্ধ উৎপাদন বিভাগে যুটীয়াভাৱে এই পৰামর্শ প্ৰদান কৰিছে। এই উদ্যমৰ অধীনত পশুখাদ্যৰ অভাৱৰ জোৰা মৰা, পশুধনৰ সৈতে জড়িত আন্তঃগাঁথনিৰ সুদৃঢ়কৰণ আৰু গ্ৰামাঞ্চলৰ পৰিয়ালসমূহ, বিশেষকৈ ক্ষুদ্র আৰু উপান্ত খেতিয়ক তথা দুগ্ধ উৎপাদন আৰু পশুপালনৰ সৈতে জড়িত ভূমিহীন পৰিয়ালৰ জীৱিকা নিশ্চিত কৰাৰ বাবে সকলো বিভাগৰ মাজত সমন্বয়ৰ দৃষ্টিভংগী গ্ৰহণ কৰা হৈছে। পৰামৰ্শাৱলী ভি বি জি ৰামজীৰ কাঠামোৰ অধীনত ৩৭৫ অনুমোদিত কার্যৰ তালিকাৰ পৰা ২২ বিধ কার্যক চিনাক্ত কৰা হৈছে। ইয়াৰ ভিতৰত পশুখাদ্যৰ খেতি আৰু মজুতকৰণ, চৰণীয়া পথাৰৰ বিকাশ, পশুধনৰ বাবে আশ্রয়, দুগ্ধ উৎপাদন পৰিকাঠামো আৰু পশু চিকিৎসা সুবিধা অন্যতম।

oooooooo

ভাৰতে দক্ষিণ আমেৰিকাৰ দেশ গুয়ানাৰ পথ, স্বাস্থ্য আৰু প্ৰতিৰক্ষা প্ৰকল্পৰ বাবে ৫০ কোটি ডলাৰৰ ঋণৰ সুবিধা প্ৰদান কৰিব বুলি ঘোষণা কৰিছে। এণ্টিগুৱা আৰু বাৰ্বুদাত বৈদেশিক পৰিক্রমা মন্ত্রী ড° এছ্ জয়শংকৰ আৰু গুয়ানাৰ ৰাষ্ট্রপতি মহম্মদ ইৰফান আলীয়ে এখন বৈঠকত মিলিত হোৱাৰ সময়ত এই ঘোষণা কৰা হয়। দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ, শক্তি, কৃষি, আন্তঃগাথনি উন্নয়ন, ডিজিটেল প্রযুক্তি আৰু সামর্থ নির্মাণকে ধৰি পাৰস্পৰিক স্বার্থ সম্বলিত খণ্ডসমূহত সহযোগিতা শক্তিশালী কৰাৰ বিষয়ত আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা বার্তাত বৈদেশিক পৰিক্রমা মন্ত্রালয়ে প্রকাশ কৰা মতে, ভাৰতে ইতিমধ্যে গুয়ানাৰ বহুকেইটা উন্নয়নমূলক প্রকল্প সম্পূর্ণ কৰিছে আৰু নতুন ঋণৰ সুবিধা প্রদানৰ জৰিয়তে দুয়োখন দেশৰ মাজৰ উন্নয়নমূলক অংশীদাৰিত্ব অধিক সুদৃঢ় হ'ব বুলি আশা কৰা হৈছে। দুয়োখন দেশে লগতে যোগান তথা ক্ষুদ্র আৰু লঘু উদ্যোগ নির্মাণ প্রকল্প স্থাপন আৰু ক্ষীপ্র প্রভাৱ পৰা প্রকল্পৰ ৰূপায়ণৰ বাবে অনুদানত অনুমোদনকে ধৰি ৩ খন চুক্তিত স্বাক্ষৰ কৰে।

oooooooo

কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহে ১৮৫৭ চনৰ স্বাধীনতাৰ প্ৰথম ৰণৰ সাহসী সৈনিকসকলৰ স্মৃতিত আম্বালা কেন্দ্ৰত নিৰ্মাণ কৰা ছহীদ স্মাৰক আজি উদ্বোধন কৰিব। বিজেপিৰ নেতা তথা প্ৰাক্তন মন্ত্ৰী অসীম গোৱেলে কালি আম্বালাত এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এয়া কেৱল এটা স্মাৰকৰ উদ্বোধন নহয়, বৰং এই কাৰ্যসূচীৰ দ্বাৰা দেশৰ স্বাধীনতা সংগ্ৰামত বলিদান দিয়া জ্ঞাত আৰু অজ্ঞাত বীৰ নায়কসকলৰ প্ৰতি কৃতজ্ঞতা আৰু শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰা হ'ব। শ্ৰী গোৱেলে কয়, যে ৮০০ কোটি টকা ব্যয় সাপেক্ষে ২২ একৰ ভূমি সামৰি নিৰ্মাণ কৰা এই স্মাৰক হাৰিয়ানাৰ ঐতিহ্যমণ্ডিত স্থানসমূহৰ অন্যতম হিচাপে বিবেচিত হ'ব। এই স্মাৰকত ১৮৫৭ চনৰ স্বাধীনতা সংগ্ৰামৰ সৈতে জড়িত ৭০০ৰো অধিক ছহীদৰ নাম সোণালী আখৰেৰে লিপিবদ্ধ কৰা হৈছে। বিজেপি নেতাগৰাকীয়ে কয়, যে আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি এই ছহীদ স্মাৰকত স্বাধীনতা সংগ্ৰামৰ গাঁথাক প্ৰাণৱন্ত কৰি তোলা হৈছে। ইয়াৰ ফলত নতুন প্ৰজন্মই ইতিহাস অধ্যয়নৰ জৰিয়তে কেৱল ছহীদসকলৰ ত্যাগৰ বিষয়ে অৱগত হোৱাতেই সীমাবদ্ধ নাথাকি প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰিব। গৃহমন্ত্ৰী শ্ৰী শ্বাহে আজি আম্বালাৰ গান্ধী মৈদানত এখন জনসভাত ভাষণ দিব। ইয়াৰ আগেয়ে তেওঁ এখন পদযাত্ৰাত নেতৃত্ব দিব।

oooooooo

নিৰ্বাচন আয়োগে অৰুণাচল প্ৰদেশ, মিজোৰাম, ছিকিম, ওড়িশা, চণ্ডীগড়, দাদ্ৰা আৰু নগৰ হাভেলী তথা দমন আৰু দিউৰ ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনৰ বিষয়ে ঘোষণা কৰিছে। ইয়াৰ বাবে ২০২৭ চনৰ পহিলা জানুৱাৰী যোগ্যতাৰ দিন হিচাপে ধাৰ্য কৰিছে। আয়োগে প্ৰকাশ কৰা মতে, ভোটদাতাৰ সংখ্যা অনুযায়ী ভোটগ্ৰহণ কেন্দ্ৰৰ দিহা কৰাৰ কাম ২০ নৱেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব আৰু ৩০ নৱেম্বৰত সংহত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। খচৰা ভোটাৰ তালিকা সন্দৰ্ভত ওজৰ-আপত্তি থাকিলে ৩০ নৱেম্বৰৰ পৰা ৩০ ডিচেম্বৰলৈ অৱগত কৰিব পৰা যাব। অহা বছৰৰ ১৮ জানুৱাৰীৰ ভিতৰত ওজৰ-আপত্তিসমূহ নিষ্পত্তি কৰা হ'ব আৰু ২১ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনত দেশৰ ৫ খন চহৰত কেৱল ২৪৮ কিলোমিটাৰৰ মেট্ৰো লাইন থকাৰ পৰিৱৰ্তে বৰ্তমান দেশৰ ২৬ খন চহৰত প্ৰায় এহেজাৰ ২০০ কিলোমিটাৰ মেট্ৰো নেটৱৰ্কৰ সুবিধা আছে বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে দেশত প্ৰতিদিনে এক কোটিৰো অধিক লোকে মেট্ৰ'ৰে অহা যোৱা কৰে আৰু ইয়াৰ ফলত লাভ কৰা সুবিধা সংখ্যাৰে জুখিব নোৱাৰি। ইয়াৰ জৰিয়তে যাতায়াতৰ ক্ষেত্ৰত লগা সময় ৰাহি হয়, পৰিয়ালৰ সৈতে অধিক সময় পোৱাৰ লগতে কাম কৰাৰ ক্ষমতা তথা ভাল সুযোগ পোৱা যায় বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

oooooooo

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে মাই ভাৰত পোৰ্টেলত খেলো ভাৰত Manufacturing to podium finish শীৰ্ষক কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাৰ জৰিয়তে দেশৰ ক্ৰীড়া খণ্ডৰ শক্তিশালীকৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ জৰিয়তে দেশৰ ক্ৰীড়াত ব্যৱহৃত সামগ্ৰী নিৰ্মাণ আৰু উদ্ভাৱনৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ বাবেও প্ৰচেষ্টা চলোৱা হব। ক্ৰীড়া মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই কাৰ্যসূচী বিংশ এছিয়ান গেমছ আৰু পঞ্চম এছিয়ান পেৰা গেমছ ২০২৬ ত দেশৰ খেলুৰৈসকলৰ অংশগ্ৰহণ আৰু সাফল্যক উৎসাহিত কৰাৰ বাবে আয়োজন কৰা হৈছে। ছাত্ৰ-ছাত্ৰী, নৰ প্ৰজন্মৰ প্ৰতিনিধি, বিভিন্ন বৃত্তিত নিয়োজিত লোক, ক্ৰীড়াপ্ৰেমী আৰু সাধাৰণ নাগৰিকসকলে এই কুইজত অংশগ্ৰহণ কৰিব পাৰিব। অহা ২০ নৱেম্বৰ পৰ্যন্ত এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুবিধা থাকিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই পদক্ষেপে দেশৰ জনসাধাৰণক ভাৰতৰ ক্ৰমৱৰ্ধমান ক্ৰীড়া আন্তঃগাথনি সম্পৰ্কে অৱগত কৰাৰ লগতে ক্ৰীড়াৰ ক্ষেত্ৰত ব্যৱহৃত সামগ্ৰী আৰু আহিলাসমূহৰ নিৰ্মাণৰ ক্ষেত্ৰতো যে ভাৰতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ফেৰ মাৰিব পাৰিছে সেই বিষয়টোকো প্ৰতিপন্ন কৰিব।

oooooooo

বিশ্ববন্দিত শিল্পী ডঃ ভূপেন হাজৰিকাৰ আজি ষোড়শ মৃত্যু তিথি। কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহেও মৃত্যু বার্ষিকী উপলক্ষে ভাৰত ৰত্ন সন্মানেৰে বিভূষিত ড০ ভূপেন হাজৰিকাক আজি শ্রদ্ধাৰে স্মৰণ কৰে। শ্রী শ্বাহে সামাজিক মাধ্যমযোগে দি এটা বার্তাত কিংবদন্তী গায়ক আৰু সুৰকাৰ গৰাকীক স্থায়ী সাংস্কৃতিক ঐতিহ্যৰ বাহক বুলি অভিহিত কৰে। গৃহমন্ত্রীগৰাকীয়ে কয়, যে ড০ হাজৰিকাই তেওঁৰ কালজয়ী সংগীতেৰে দেশৰ সাংস্কৃতিক ঐতিহা চহকী কৰি আহিছে আৰু অসমক গোলকীয় পর্যায়ত উপযুক্ত স্বীকৃতি প্রদান কৰিছে। শিল্পীগৰাকীৰ একতাৰ বার্তাই মানৰ জাতিক সদায় অনুপ্রাণিত কৰি যাব বুলি তেওঁ মন্তব্য কৰে।

মুখ্যমন্ত্রী ডঃ হিমন্ত বিশ্ব শর্মাইও প্রয়ান দিৱস উপলক্ষে বিশ্ব ৰেণ্য শিল্পীগৰাকীলৈ শ্রদ্ধার্ঘ্য নিবেদন কৰিছে। ডঃ শর্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বার্তাত কয়, যে শিল্পীগৰাকীৰ সৃষ্টি ৰাজিয়ে প্রতিটো প্রজন্মক সদায় চিৰন্তন চিন্তা চেতনাৰে আলোড়িত কৰি থাকিব। ডঃ ভূপেন হাজৰিকা কালজয়ী সৃষ্টি আৰু আদর্শ আমাৰ মাজত অমৰ হৈ ৰ'ব বুলি তেওঁ মন্তব্য কৰে।

শিল্পীগৰাকীৰ স্মৃতিত শ্রদ্ধা জনাই আজি ৰাজ্যৰ বিভিন্ন প্রান্তত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক পৰিক্রমা বিভাগৰ উদ্যোগত জালুকবাৰীৰ ডঃ ভূপেন হাজৰিকা সমন্বয় তীর্থত শ্রদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত হস্ততাঁত বস্ত্র, ৰেচম, ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্রী বিশ্বজিৎ দৈমাৰী, কণ্ঠশিল্পী মনিষা হাজৰিকা আৰু কংগ্রেছৰ কেইবাগৰাকীও নেতাই শিল্পীগৰাকীলৈ শ্রদ্ধাঞ্জলি নিবেদন কৰে। শ্রদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্রী দৈমাৰীয়ে কয়, যে সমাজ আৰু মানৱতাৰ কাৰণে কাম কৰি যোৱা সুধাকণ্ঠ ভূপেন হাজৰিকাক আমি অমৰ কৰি ৰাখিব লাগিব।

একেদৰে ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস আৰু শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্র সমাজৰ যৌথ উদ্যোগত তথা সাংস্কৃতিক পৰিক্রমা বিভাগৰ পৃষ্ঠপোষকতত **মহা মিলনৰ তীর্থ** শীর্ষক এটা অনুষ্ঠানৰ দিহা কৰা হৈছে। শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্রৰ শ্রী শ্রী দামোদৰ দেৱ আন্তর্জাতিক প্রেক্ষাগৃহত আয়োজিত এই অনুষ্ঠানত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে অৰুণাচল প্রদেশৰ উপ-মুখ্যমন্ত্রী চৌনা মেইনক ভূপেন হাজৰিকা সমন্বয় বঁটা আগবঢ়াব। অসম আৰু অৰুণাচল প্রদেশৰ সমন্বয়ৰ বার্তাবাহক হিচাপে এই বঁটা প্রদান কৰা হ'ব।

oooooooo

পুৰণি দিল্লীৰ চাৰৰি বাজাৰ মেট্রে ষ্টেচনৰ সমীপত আজি পুৱা এটা নির্মিয়মান তিনি মহলীয়া অট্টালিকা খহি পৰাৰ ফলত কেইবাজনো লোক আহত হয়। ধংসস্তূপৰ মাজত এতিয়াও কমেও ১৫ জন লোক আৱদ্ধ হৈ থকা বুলি আশংকা কৰা হৈছে। লোক কেইজনক উদ্ধাৰ কৰাৰ বাবে অভিযান অব্যাহত আছে।

oooooooo

ভাৰত আজি এছিয়ান চেম্পিয়নছ ট্রফী হকী প্রতিযোগিতাৰ ফাইনেলত জাপানৰ সন্মুখীন হ'ব। খেলখন মোহালিৰ অলিম্পিয়ান বলবীৰ সিং চিনিয়ৰ আন্তঃৰাষ্ট্রীয় হকী ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ 'ব। বিগত বর্ষৰ চেম্পিয়ন ভাৰতে কালি অনুষ্ঠিত প্রতিযোগিতাৰ ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে ৮-১ গ 'লত সহজে বিজয় সাব্যস্ত কৰে। ইপিনে , চেমি ফাইনেলত মালয়েছিয়াৰ বিৰুদ্ধে পেনাল্টি শ্বুটআউটত ৫-৩ গ 'লত বিজয় অর্জন কৰি জাপানে ফাইনেলত স্থান নিশ্চিত কৰে। প্রতিযোগিতাৰ ব্রঞ্জৰ পদকৰ বাবে হ'বলগীয়া খেলখনত দক্ষিণ কোৰিয়া মালয়েছিয়াৰ বিৰুদ্ধে অৱতীর্ণ হ'ব খেলিব।

oooooooo

সমাপ্ত